**প্ৰধানমন্ত্ৰীৰ ব্ৰিটেইন আৰু মালদ্বীপ ভ্ৰমণ (জুলাই 23 - 26, 2025)**

জুলাই 20, 2025

ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ছাৰ কেইৰ ষ্টাৰমাৰৰ আমন্ত্ৰণত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে 2025 চনৰ 23 – 24 জুলাই তাৰিখলৈ ব্ৰিটেইনলৈ চৰকাৰী ভ্ৰমণ কৰিব। এয়া প্ৰধানমন্ত্ৰী মোদীৰ চতুৰ্থটো ব্ৰিটেইন ভ্ৰমণ হ'ব।

2. এই ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰধানমন্ত্ৰী ষ্টাৰমাৰৰ সৈতে ভাৰত-ব্ৰিটেইনৰ দ্বিপাক্ষিক সম্পৰ্কৰ সমগ্ৰ পৰিসৰ সম্পৰ্কে ব্যাপক আলোচনাত মিলিত হ'ব। ইয়াৰ উপৰিও আঞ্চলিক আৰু বিশ্বব্যাপী গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰতো তেওঁলোকে মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰীয়ে মহামহিম নৃপতি চাৰ্লছ তৃতীয়কো সাক্ষাৎ কৰাৰ সম্ভাৱনা আছে। এই ভ্ৰমণৰ সময়ত দুয়োপক্ষই বাণিজ্য আৰু অৰ্থনীতি, প্ৰযুক্তি আৰু উদ্ভাৱন, প্ৰতিৰক্ষা আৰু নিৰাপত্তা, জলবায়ু, স্বাস্থ্য, শিক্ষা আৰু জনসাধাৰণৰ সম্পৰ্কৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি সৰ্বাংগীন কৌশলগত অংশীদাৰিত্বৰ অগ্ৰগতিৰ পৰ্যালোচনাও কৰিব।

3. ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰীয়ে মালদ্বীপ গণৰাজ্যৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ মুইজুৰ আমন্ত্ৰণত 2025 চনৰ 25 – 26 জুলাই তাৰিখে মালদ্বীপলৈ চৰকাৰী ভ্ৰমণ কৰিব। এইটোৱেই হ'ব প্ৰধানমন্ত্ৰীৰ তৃতীয়টো মালদ্বীপ ভ্ৰমণ, আৰু ড০ মহম্মদ মুইজুৰ ৰাষ্ট্ৰপতিত্বৰ সময়ত কোনো ৰাষ্ট্ৰ বা চৰকাৰৰ মুৰব্বীৰ প্ৰথমটো মালদ্বীপ ভ্ৰমণ হিচাপে বিবেচিত হৈছে।

4. 2025 চনৰ 26 জুলাইত মালদ্বীপৰ স্বাধীনতাৰ ষাঠী বছৰীয়া জয়ন্তী উদযাপনত 'সন্মানীয় অতিথি' হিচাপে উপস্থিত থাকিব প্ৰধানমন্ত্ৰী মোদী। এই ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰীয়ে ড০ মহম্মদ মুইজুক সাক্ষাৎ কৰি পাৰস্পৰিক স্বাৰ্থৰ বিষয়সমূহৰ ওপৰত আলোচনা কৰিব। 2024 চনৰ অক্টোবৰ মাহত মালদ্বীপৰ ৰাষ্ট্ৰপতিৰ ভাৰত ভ্ৰমণৰ সময়ত গ্ৰহণ কৰা 'ব্যাপক অৰ্থনৈতিক আৰু সামুদ্ৰিক সুৰক্ষা অংশীদাৰিত্ব'ৰ বাবে ভাৰত-মালদ্বীপৰ যুটীয়া দৃষ্টিভংগী ৰূপায়ণৰ ক্ষেত্ৰত হোৱা অগ্ৰগতিৰ বুজ ল'ব দুয়োগৰাকী নেতাই। ভাৰতৰ 'চুবুৰী প্ৰথম' নীতি আৰু ভিজন মহাসাগৰত বিশেষ স্থান অব্যাহত ৰখা সামুদ্ৰিক প্ৰতিবেশী দেশ মালদ্বীপৰ প্ৰতি ভাৰতে যি গুৰুত্ব আৰোপ কৰিছে সেয়া এই ভ্ৰমণত প্ৰতিফলিত হৈছে। এই ভ্ৰমণে দুয়োপক্ষৰ বাবে ঘনিষ্ঠ দ্বিপাক্ষিক সম্পৰ্ক অধিক গভীৰ আৰু সুদৃঢ় কৰাৰ সুযোগ প্ৰদান কৰিব।

নতুন দিল্লী

জুলাই 20, 2025